1 (Sem–1/FYUGP) AEC ASS

**2025**

( Ability Enhancement Course )

Paper : AEC0101604N

( যোগাযোগমূলক অসমীয়া আৰু লেখন কলা )

( For Regular )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) অসমীয়া ভাষাত বিশিষ্ট স্পৰ্শ ব্যঞ্জনধ্বনি কেইটা ?

(খ) শব্দ সাধনৰ সৰ্গক কি বোলে ?

(গ) অসমীয়া ভাষাৰ এটা অৰ্ধস্বৰৰ উদাহৰণ দিয়া ।

(ঘ) 'আৱেদন' শব্দৰ অৰ্থ কি ?

(ঙ) 'নিবিদা'ৰ ইংৰাজী প্ৰতিশব্দ কি ?

(চ) অনানুষ্ঠানিক লিখনৰ এটি উদাহৰণ দিয়া।

(ছ) 'অসমীয়া ব্যাকৰণ প্ৰৱেশ' গ্ৰন্থখনৰ ৰচক কোন?

(জ) এটা যৌগিক বাক্যৰ উদাহৰণ দাঙি ধৰা।

২। চমু উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) জিভাৰ নিম্ন অৱস্থানত উচ্চাৰিত অসমীয়া ভাষাৰ নিম্ন-মধ্য (low-central) আৰু নিম্ন-পশ্চ (low-back) স্বৰধ্বনি দুটা কি কি?

(খ) 'ক্ৰ' আৰু 'ক্ৰ' যুক্তাক্ষৰ দুটা ভাঙি দেখুওৱা।

(গ) অসমীয়া ভাষাৰ এটা তদ্ধিত আৰু এটা কৃৎ প্ৰত্যয়ৰ উদাহৰণ দিয়া।

(ঘ) 'মৰ্যদা' আৰু 'নগাওঁ' শব্দ দুটা শুদ্ধকৈ লিখা।

(ঙ) 'বিজ্ঞাপন'ৰ ইংৰাজী প্ৰতিশব্দ কি? ইংৰাজীলৈ সেই শব্দটো কোন ভাষাৰ পৰা আহিছে?

(চ) নিবিদা লিখনত মানিবলগীয়া যি কোনো দুটা নিয়ম উল্লেখ কৰা।

(ছ) আনুষ্ঠানিক লিখনৰ দুটা উদাহৰণ দিয়া।

(জ) লিখন কলাত মিতব্যয়িতাৰ দুটা গুৰুত্ব উল্লেখ কৰা।

(ঝ) পদৰ যোগ্যতাক কি দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি ?

(ঞ) 'আসত্তি' শব্দটো সন্ধি ভাঙি দেখুওৱা আৰু ইয়াৰ ব্যুৎপত্তিগত অৰ্থ লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ বৈশিষ্ট্য

(খ) অসমীয়া ভাষাৰ কাৰকবাচক বিভক্তি

(গ) প্ৰতিবেদন লিখনৰ কৌশল

(ঘ) বিজ্ঞাপনৰ ভাষা

(ঙ) লিখন কলাত স্বচ্ছতাৰ গুৰুত্ব

(চ) অসমীয়া ভাষাৰ পদ-সংগতি

(ছ) অসমীয়া ভাষাৰ যতি-চিহ্ন

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) ভাষা কথনত উচ্চাৰণ-জ্ঞানৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) তোমাৰ গাঁৱৰ ৰাজহুৱা পুথিভঁৰালটিৰ গৃহ নিৰ্মাণৰ বাবে অৰ্থ সাহায্য বিচাৰি স্থানীয় বিধায়কলৈ এখন আৱেদনপত্ৰ লিখা।

(গ) লিখন কলাত ভিন্নতা আৰু ঐক্যভাৱে কি বুজায়? চমুকৈ আলোচনা কৰা।

(ঘ) শব্দ-সংস্থিতি (collocation) বুলিলে কি বুজা, উদাহৰণসহ বৰ্ণনা কৰা।

(ঙ) অসমীয়া ভাষাৰ বাক্যক কেইটা আৰু কি কি শ্ৰেণীত ভাগ কৰিব পাৰি, উদাহৰণেৰে দেখুৱাই দিয়া।

Paper : AEC0100102–N

( যোগাযোগমূলক অসমীয়া—I )

( For Arrear )

*Full Marks* : 30

*Time* : 1½ hours

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ লিখা : ১×৫=৫

(ক) বিশিষ্ট স্বৰধ্বনি কেইটা ?

(খ) কোলন চিহ্নটো লিখা।

(গ) নিবিদা শব্দৰ ইংৰাজী প্ৰতিশব্দ কি ?

(ঘ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় এটাৰ উদাহৰণ দিয়া।

(ঙ) অসমীয়া ভাষাত পঞ্চমী বিভক্তিৰ চিন আছেনে ?

২। চমুকৈ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) যোগাযোগৰ প্ৰকাৰ দুটা কি কি ?

(খ) প্ৰত্যয় বুলিলে কি বুজা ?

(গ) আৱেদন কেইপ্ৰকাৰৰ আৰু কি কি ?

(ঘ) দূৰদৰ্শনৰ বিজ্ঞাপনৰ ক্ষেত্ৰত মন কৰিবলগীয়া দুটা দিশ উল্লেখ কৰা।

(ঙ) ভাষা শিক্ষণৰ প্ৰধান কৌশলকেইটা কি কি?

(চ) ভাৱবোধক চিহ্ন প্ৰয়োগ কৰি দুটা বাক্য ৰচনা কৰা।

(ছ) 'উচ্চাৰণৰ স্পষ্টতা' বুলিলে কি বুজা?

(জ) আৱেদন লেখন বুলিলে কি বুজা?

(ঝ) ণত্ব বিধিৰ দুটা ব্যৱহাৰ লিখা।

(ঞ) বিজ্ঞাপনৰ মাধ্যম বুলিলে কি বুজা?

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) শৰীৰ-ভাষা (body-language) বুলিলে কি বুজা, আলোচনা কৰা।

(খ) অসমীয়া যতি-চিহ্নৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰা।

(গ) নিবিদা প্ৰস্তুত কৰোঁতে কোন কোন দিশৰ ওপৰত গুৰুত্ব দিব লাগে, লিখা।

(ঘ) ধৰা হ'ল তুমি এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক। তোমাৰ কাৰ্যকালত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যাৱলীৰ বিৱৰণ দি এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

(ঙ) মহাবিদ্যালয়ৰ সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে অনুমতি বিচাৰি স্থানীয় আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ এখন আবেদন লিখা।

(চ) অসমীয়া বিভক্তি প্ৰয়োগ সম্পৰ্কে এটা টোকা লিখা।

★★★